### মূল্য নাই প্ৰতিভাৰ

# মন্ত্ৰী-বিধায়কৰ ইচ্ছাই শেষ কথা

## মহাবিদ্যালয়ৰ শিক্ষক নিযুক্তি

প্ৰতিদিন সংবাদ

গুৱাহাটী, ৬ আগষ্ট ঃ দুৰ্নীতি নিৰ্মূল কৰাৰ প্ৰতিশ্ৰুতি দি অগপ দল ক্ষমতালৈ আহিছিল। প্ৰফুল্ল কুমাৰ মহন্তই নিৰ্বাচনী সভাবোৰত, কংগ্ৰেছ(ই) চৰকাৰে শিক্ষক নিযুক্তিত চলোৱা দুৰ্নীতিৰ কথাকে ৰাজনৈতিক ইছ্যু হিচাপে লৈ গাই-বাই ফুৰিছিল। কিন্তু ক্ষমতালৈ অহাৰ পিচত অগপও হৈ পৰিছে একে পানীৰে মাছ। এতিয়া কোনোবা মহাবিদ্যালয়ত খালী পদ থাকিলে প্ৰাৰ্থীয়ে তেওঁৰ প্ৰতিভাৰ প্ৰমাণপত্ৰ বা শিক্ষাগত অৰ্হতাৰ প্ৰমাণপত্ৰ নিলেই নহ'ব-- লগত নিব লাগিব কোনো ক্ষমতাশালী মন্ত্ৰী অথবা মহন্তপন্থী বিধায়ক বা অগপ নেতাৰ মন্তব্য থকা চিঠি। শিক্ষাগত অৰ্হতাই এতিয়া কোনো মহাবিদ্যালয়ৰ পৰিচালনা সমিতিক প্ৰভাৱিত নকৰে। প্ৰভাৱিত কৰে ৰাজনৈতিক নেতাই লিখি দিয়া চিঠিখনেহে। শেহতীয়াকৈ এনে অনেক উদাহৰণ আমাৰ হাতত পৰিছেহি। তেনে এক উদাহৰণ হ'ল কেশৱ চন্দ্ৰ দাস বাণিজ্য মহাবিদ্যালয়ৰ প্ৰৱক্তাৰ পদৰ বাবে অনুষ্ঠিত সাক্ষাৎকাৰত প্ৰথম হোৱা প্ৰশান্ত শৰ্মা। উল্লেখনীয় যে ১৯৯৬ চনৰ এঘাৰ মাৰ্চত হোৱা সাক্ষাৎকাৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগৰ অধ্যাপক ডঃ দেৱদাস ভৰালী, প্ৰাক্তন বাণিজ্যগুৰু ডঃ অনিল শৰ্মা, মহাবিদ্যালয়খনৰ সেইসময়ৰ অধ্যক্ষ বন্ধুৰাম ডেকা আৰু মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সম্পাদক সুৰজিৎ মিত্ৰ উপস্থিত আছিল।

সেই সাক্ষাৎকাৰৰ ওপৰত ভিত্তি কৰিয়েই শৰ্মাক মহাবিদ্যালয়খনৰ প্ৰৱক্তাৰ পদত নিযুক্তি-পত্ৰও দিয়া হয়। কিন্তু গুৱাহাটী বিশ্ববিদ্যালয়ৰ হিচাবগুৰু হিচাপে চাকৰি কৰি থকা শৰ্মাই লিয়েন লৈ মহাবিদ্যালয়ৰ চাকৰিত নিযুক্ত হ'ব নোৱাৰে বুলি তেওঁক পৰিচালনা সমিতিৰ তৰফৰ পৰা জনোৱা হয়। কিন্তু চৰকাৰী বিধি অনুসৰি লিয়েন লৈও কোনো লোকে অন্য চাকৰিত যোগদান কৰিব পাৰে। তাৎপৰ্যপূৰ্ণ কথা হ'ল যে উক্ত মহাবিদ্যালয়খনৰ অধ্যক্ষৰ দায়িত্বত থকা প্ৰাক্তন অগপ বিধায়ক হিতেশ ডেকাও বিশ্ববিদ্যালয়ৰ পৰা লিয়েনত অহা। কেৱল সেয়াই নহয়, পৰিচালনা সমিতিৰ লগত জড়িত অগপ নেতা সুৰজিৎ মিত্ৰই শৰ্মাক 'আমি গুৱাহাটী বিশ্ববিদ্যালয়, ডি পি আইৰ নিয়ম নামানো। আপুনি হাইক'ৰ্ট 'কৰককৈ' বুলিহে শৰ্মাক ভাবুকি দিয়ে। জানিব পৰামতে এগৰাকী অগপ নেতাৰ চুপাৰিছমতেই শৰ্মাক এই পদৰ পৰা বঞ্চিত কৰা হৈছে।

আনহাতে বাইহাটা চাৰিআলিস্থ পূব কামৰূপ মহাবিদ্যালয়তো শেহতীয়াভাৱে শিক্ষক নিযুক্তিক লৈও ব্যাপক অনিয়মৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। প্ৰাপ্ত অভিযোগমতে অলপতে মহাবিদ্যালয়খনত বুৰঞ্জী বিভাগৰ চতুৰ্থ পদৰ বাবে বাছনি পৰীক্ষা অনুষ্ঠিত হয়। বাছনি পৰীক্ষাত কেইবাগৰাকী মেধাৱী প্ৰাৰ্থী অৱতীৰ্ণ হৈছিল যদিও নিয়মবহিৰ্ভূতভাৱে তথা ৰাজনৈতিক হেঁচাত পৰি মহাবিদ্যালয় কৰ্তৃপক্ষই বাছনি তালিকাৰ শেষত থকা নিপেন্দ্ৰ ডেকা নামৰ প্ৰাৰ্থীজনক ইতিমধ্যে নিযুক্তি দিছে। আনহাতে বাছনি তালিকাৰ প্ৰথম স্থানত নাম থকা প্ৰাৰ্থী স্মৃতিলেখা দাসক অন্যায়ভাৱে উক্ত শিক্ষক পদৰ পৰা বঞ্চিত কৰা বুলি অভিযোগ উঠিছে। তদুপৰি স্থানীয় প্ৰাৰ্থীয়ে বাহিৰৰ প্ৰাৰ্থীসকলক বাছনি পৰীক্ষাৰ দিনা বিভিন্নধৰণে ভাবুকি প্ৰদান কৰা বুলিও বহুতে কোৱা-কুই কৰিছে। স্থানীয় ৰাইজে মহাবিদ্যালয়খনৰ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত ইতিপূৰ্বৰে পৰা ঘটি থকা এনেধৰণৰ অন্যান্য তথা ৰাজনৈতিক হেঁচাক গৰিহণা দিছে আৰু যোগ্য তথা মেধাৱী প্ৰাৰ্থীক শিক্ষক হিচাপে নিযুক্তি দিবলৈ মহাবিদ্যালয় কৰ্তৃপক্ষক দাবী জনাইছে।

প্ৰতিদিন ৭ আগষ্ট, ১৯৯৭ ইং